জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

শতিতম বছৰ, সংখ্যা ৩৪১ ● মঙলবাৰ ● ৩ ভাদ ১৯৪৬ শক RNI No. ASSASS/2006/16737 .DAINIK JANAMBHUMI Tinsukia Tuesday August 20, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা

চি এলৰ বিৰুদ্ধে ওলাই আহিল শ শ পুৰুষ-মহিলা

## জিত শক্তি বিভাগৰ ঘেৰাও কৃষক মুক্তিৰ



কাজিৰঙা বিশ্ববিদ্যালয়ত গুৰুত্বপূৰ্ণ বৈঠক

## ড° শশীকান্ত শইকীয়াক ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সমন্বয়কৰ দায়িত্ব

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ আগষ্ট ঃ কাজিৰঙা বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সমন্বয় সমিতিৰ এক গুৰুত্বপূৰ্ণ বৈঠক কালি অনুষ্ঠিত হয়। কাজিৰঙা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰশান্ত কুমাৰ মিশ্ৰই আদৰণী ভাষণ প্ৰদান কৰা বৈঠকখনৰ আঁত ধৰে কাজিৰঙা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেবানুজ খাওন্দে। বৈঠকত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ ১নং খণ্ডৰ সমন্বয়ক হিচাপে মনোনীত কৰে। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ ১নং খণ্ডৰ সমন্বয়ক ১১ পিঠিলৈ

## পিষ্টল-গুলীসহ কাৰ্বি আংলঙত ৩ উগ্ৰপন্থীৰ আত্মসমৰ্পণ

ডিফু ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ আগষ্ট ঃ যোৱা জুলাই মাহত আত্মপ্ৰকাশ ঘটা কাৰ্বি আংলঙৰ নতুন উগ্ৰপন্থী সংগঠন কাৰ্বি পীপ্‌লছ লিবাৰেশ্যন আৰ্মি (কে পি এল এ) নামৰ উগ্ৰপন্থী সংগঠনটোৰ তিনিজন সদস্যই আজি জিলা আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিছে। অসম ১১ পিঠিলৈ

## ছেপ্টেম্বৰৰ এক

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, বহি ৰজা হৈ পৰা দুই-এক কৰাৰ ফলত অসমত সুৰাৰ পৰিমাণ হ্ৰাসহে হোৱাত বাধ্য হ'ল। উল্লেখযোগ্য কৰা বিদেশী সুৰাৰ দাম দুবাৰকৈ সুৰাৰ দাম বৃদ্ধি ক অসমত সুৰা আৰু বীয়েৰ সুৰাৰ বিক্ৰী কমি যোৱাত বৃদ্ধি হোৱাৰ পৰিৱৰ্তে বৃহ

## প্ৰাক্তন বিধ

## চাহৰ ব

জাতৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ৩৪১ ● মঙলবাৰ ● ৩ ভাদ ১৯৪৬ শক RNI No. ASSASS/2006/16737 .DAINIK JANAMBHUMI Tinsukia Tuesday August 20, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প

কা কৰে। কিন্তু ৰক্ষীয়ে প্ৰকাশ হা ঘূৰি আহে। পাছত সন্মুখৰ তীব্ৰ যান-জঁটৰ অচল হৈ পৰে। এন আৰ নামৰ মল কৰ্তৃপক্ষই ৰিছিল। পৰৱৰ্তী কে বৃহৎ শ্বপিং কা বুলি উল্লেখ

## ত...

নামৰ যুৱকজনে হাটী চিকিৎসা নাৰীৰ নিৰাপত্তা া সমাজ আৰু ক্তভোগী আৰু ষ্টাৰ গোচৰৰ ষ্ট ট্ৰেক কৰ্টত তি বৰাক ন্যায়িক কীৰ চিকিৎসাৰ নিৰ্যাতনৰ বলি ৰ ছুপাৰিশবোৰ এই স্মাৰক পত্ৰ নেত্ৰী আয়েফা া থাকোতে ৰহা ক্ত্ৰত বাধাপ্ৰদান বাদ হয়। ইয়াৰ লৈ সমদল কৰি কীৰ চিকিৎসাৰ

৩৮৮৯গৰাকী শিক্ষাৰ্থী আৰু ৪৯৪২গৰাকী মেণ্টৰ, ২০২৩-২৪ বৰ্ষত ৪৩২৪গৰাকী শিক্ষাৰ্থী আৰু ৪৮১৪গৰাকী মেণ্টৰৰ লগতে ২০২৪-২৫ বৰ্ষত ৪২৮০গৰাকী শিক্ষাৰ্থী আৰু ১৯৩৪গৰাকী মেণ্টৰে আৰোহণ পৰ্টেলৰ জৰিয়তে নাম অন্তৰ্ভুক্ত কৰিছে। লগতে এই পৰ্টেলৰ জৰিয়তে অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলক তেওঁলোকৰ মেণ্টৰসকলে তেওঁলোকৰ ঘৰত বা ভাৰ্চুৱেল মুডৰ জৰিয়তে আজিৰ এই প্ৰতিযোগিতাৰ যুগত শিক্ষাৰ্থীসকলক আগুৱাই নিয়াৰ বাবে দিহা-পৰামৰ্শ প্ৰদান কৰি আহিছে। মন কৰিবলগীয়া যে আৰোহণ আঁচনিৰ জৰিয়তে শিক্ষা বিভাগে বিভিন্ন দলগতভাৱে শিক্ষাৰ্থীসকলক ৰাজ্যখনৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান আদিত গৈ কিদৰে উচ্চ শিক্ষা গ্ৰহণ কৰি নিজৰ জীৱন আগুৱাই লৈ যাব পাৰি তাৰ বিষয়ে পৰিচয় কৰাই দিয়ে। ইয়াৰ উপৰি, এই আঁচনিৰ অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলক পাঠ্যপুথিৰ বাবত এহেজাৰ টকাকৈ একাউণ্ট যোগে প্ৰদান কৰি অহা হৈছে। এই সমগ্ৰ প্ৰক্ৰিয়াটো শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিজে তদাৰক কৰাৰ লগতে তেওঁ শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ বাবে এই আঁচনিৰ অধীনত আয়োজিত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰি আহিছে। শিক্ষা মন্ত্ৰীয়ে জনিবলৈ দিয়া মতে, শিক্ষাৰ্থীসকলৰ সামগ্ৰিক বিকাশ তথা তেওঁলোকক ভৱিষ্যতে একোজন সফল ব্যক্তি হিচাপে গঢ়ি তোলাৰ এই প্ৰয়াস নিৰন্তৰভাৱে শিক্ষা বিভাগে আগন্তুক দিনত চলাই যাব। বিবৃতিত মন্ত্ৰী ডাঃ পেগুৱে উল্লেখ কৰে যে এই আৰোহণ আঁচনিয়ে এক যোগাত্মক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ মাজেৰে নিজক কিদৰে প্ৰতিষ্ঠা কৰিব পাৰি তাৰ প্ৰতি শিক্ষাৰ্থীসকলে আৰম্ভণিৰে পৰা মন স্থিৰ কৰিব লাগিব। শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ বিকাশ আৰু প্ৰগতিৰ অৰ্থে অসমৰ দূৰদৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰৰ এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলিও কয় মন্ত্ৰী ডাঃ পেগুৱে।

## 'তেওঁৰ সম্পত্তিসমূহ...'

মুখ্যমন্ত্ৰীয়ে মোৰ নামত সম্পত্তি দিব নালাগে। তেওঁৰ সম্পত্তিসমূহ চিকিৎসক, শিক্ষক, সাংবাদিক, বাগিচাৰ শ্ৰমিকসকলৰ হোৱাৰ বাবে চিন্তা কৰক। দলৰ নেতৃত্বৰ ওপৰত আস্থা ৰাখি তেওঁ কয় যে ২০২৬ৰ নিৰ্বাচনত দলে যি স্থানৰ পৰাই টিকট দিয়ে তাতে প্ৰতিদ্বন্দ্বিতা কৰিম। আমগুৰি গ্ৰাম্য আৰু আমগুৰি নগৰ ব্লক কংগ্ৰেছ আৰু বিৰোধী ঐক্য মঞ্চৰ উদ্যোগত ইয়াৰ ৰাজহুৱা ভৱন প্ৰাংগণত অনুষ্ঠিত সম্বৰ্ধনা সভাখনৰ আঁত ধৰে আমগুৰি ব্লক কংগ্ৰেছৰ সভাপতি আতুল গগৈয়ে আৰু সাধাৰণ সম্পাদক ৰাজ পায়েঙে। অনুষ্ঠানত নাজিৰা

## ড° শশীকান্ত শইকীয়াক...

তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এক বিজ্ঞপ্তিত এই কথা সদৰী কৰে। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ ১নং খণ্ডৰ মুখ্য সমন্বয়ক তনুজ গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা বৈঠকত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক আৰু ইউ এ জিৰ মহাসচিব ড° অশ্বিনী শৰ্মাই বৈঠকৰ মূল উদ্দেশ্য সম্পৰ্কে অৱগত কৰি কয়, 'ৰাষ্ট্ৰসংঘ আৰু ইউনেস্ক'ৰ কাম-কাজ তথা লক্ষ্যসমূহ পূৰণ কৰিবলৈ আৰু ৰাষ্ট্ৰসংঘৰ উন্নয়নমূলক কামসমূহ সমাজৰ প্ৰতিটো স্তৰতে বিস্তাৰিত কৰা, প্ৰসাৰ কৰা আৰু সেই কাৰ্যসূচীসমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক আৰু কৰ্মচাৰীসকলৰ সুবিধাৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানসমূহত প্ৰচাৰ কৰা। বৈঠকত শৈক্ষিক প্ৰতিষ্ঠানসমূহত ৰাষ্ট্ৰসংঘ আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ ওপৰত ছমহীয়া ডিপ্লমা পাঠ্যক্ৰম প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শৈক্ষিক প্ৰতিষ্ঠানসমূহত এম আৰ পি ৰূপায়ণ কৰা, ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰৰ জ্ঞান অভিযান কাৰ্যসূচী (RCUN - Mission Knowledge Programme) কাৰ্যকৰী কৰা, শিক্ষা, বিজ্ঞান, সংস্কৃতিৰ ক্ষেত্ৰত আলোচনা-চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰাৰ লগতে ইউনেস্ক'ৰ লক্ষ্যসমূহ সম্পন্ন কৰা, স্বাস্থ্য, পৰিৱেশ আৰু বহনক্ষম উন্নয়নৰ লক্ষ্য, বিশ্ব স্বাস্থ্য দিৱসৰ দৰে আন্তঃৰাষ্ট্ৰীয় দিন পালন কৰা ইত্যাদি বিষয়েও তেওঁ অৱগত কৰে। বিশ্ব সাক্ষৰতা দিৱস, বিশ্ব পৰিৱেশ দিৱস, ৰাষ্ট্ৰসংঘ দিৱস, বিশ্ব খাদ্য দিৱস, মানৱ অধিকাৰ দিৱস আদি অনুষ্ঠিত কৰাৰ সম্পৰ্কেও কয়। সমন্বয় সমিতিৰ বৈঠকত কাজিৰঙা বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰসংঘৰ অধ্যয়ন প্ৰতিষ্ঠান-নতুন দিল্লীৰ মাজত আন্তঃৰাষ্ট্ৰীয় ডিপ্লমা পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বাবে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বৈঠকত অসম কাজিৰঙা বিশ্ববিদ্যালয়ৰ লগতে অসম মহিলা বিশ্ববিদ্যালয়, ডি এইচ এছ কানৈ মহাবিদ্যালয়, চিনামৰা মহাবিদ্যালয়, নাহৰকটীয়া মহাবিদ্যালয়, নামৰূপ মহাবিদ্যালয়, মৰাণ কনিষ্ঠ মহাবিদ্যালয়, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, এছ পি পি মহাবিদ্যালয়, ডিব্ৰুগড় পলিটেকনিক, তিনিচুকীয়া মহাবিদ্যালয়ে অংশগ্ৰহণ কৰে। অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা ৰাজকোঁৱৰকে ধৰি উপস্থিত অন্যান্য সদস্যসকলে ৰাষ্ট্ৰসংঘৰ লক্ষ্যসমূহ সুচাৰুৰূপে ৰূপায়ণৰ বাবে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। শেষত শলাগ জ্ঞাপন কৰে কাজিৰঙা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেবানুজ খাওন্দে।

## হিল হাজাৰ হাজা



## ৰ বজ্ৰ

তগতিত কমিছে